# 2024

## PHILOSOPHY

( Honours Core )

Paper : PHI–HC–4026

**( Philosophy of Religion )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1. Answer the following questions as directed : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ নিৰ্দেশানুসৰি উত্তৰ লিখা :

*(a)* "Religion is humanity's response to the Divine." Who said this?

"ধৰ্ম হ'ল মানৱজাতিৰ দৈৱসত্তাৰ প্ৰতি সঁহাৰি।" উক্তিটো কাৰ ?

*(b)* Philosophy of religion is not an organ of religious teaching.

( Write True or False )

ধৰ্মদৰ্শন ধৰ্মীয় শিক্ষাৰ এক অংগ নহয়।

( শুদ্ধ নে অশুদ্ধ লিখা )

*(c)* Reason has no place in religion.

( Write True or False )

ধৰ্মত যুক্তিৰ কোনো স্থান নাই।

( শুদ্ধ নে অশুদ্ধ লিখা )

*(d)* Thomas Aquinas offered 3/4/5 ways of proving divine existence.

( Choose the correct answer )

থমাচ একুইনাচে দৈৱ অস্তিত্ব প্ৰমাণ কৰাৰ বাবে ৩ / ৪ / ৫ টা প্ৰণালী আগবঢ়াইছিল।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(e)* Write the name of the prime advocate of Dialectical Materialism.

দ্বান্দ্বিক বস্তুবাদৰ প্ৰধান পৃষ্ঠপোষকগৰাকীৰ নাম লিখা।

*(f)* Spinoza denied freedom of will. Is it true?

স্পিনোজাই ইচ্ছাৰ স্বাতন্ত্ৰ্যক অস্বীকাৰ কৰিছিল। উক্তিটো সঁচানে?

(g) Who was the author of the book, *Summa Theologica*?

*Summa Theologica* গ্ৰন্থৰ গ্ৰন্থকাৰ কোন?

(h) Write the name of one advocate of logical positivism.

তৰ্কীয় প্ৰত্যক্ষবাদৰ এগৰাকী পৃষ্ঠপোষকৰ নাম লিখা।

(i) What is the best path of salvation for Shankardeva?

শংকৰদেৱৰ মতে মুক্তিৰ বাবে শ্ৰেষ্ঠ পথ কোনটো?

(j) What is the symbol of ultimate concern in religious language?

ধৰ্মীয় ভাষাত পৰম সত্তা (concern)ৰ প্ৰতীক কি?

2. Answer the following questions in brief : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা :

(a) What is revelation?

দৈৱ প্ৰকাশ কাক বোলে?

(b) Write two distinctions between theology and philosophy of religion.

ঈশ্বৰতত্ত্ব আৰু ধৰ্মদৰ্শনৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

*(c)* What is Eka Sarana Nam Dharma?

এক শৰণ নাম ধৰ্ম কাক বোলে?

*(d)* Write two distinctions between religious language and ordinary language.

ধৰ্মীয় ভাষা আৰু সাধাৰণ ভাষাৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

*(e)* Logical positivists divided propositions into two kinds. What are they?

তৰ্কীয় প্ৰত্যক্ষবাদী দাৰ্শনিকসকলে বচনক দুটা ভাগত বিভক্ত কৰিছে। সেই ভাগ দুটাৰ নাম লিখা।

3. Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Write a brief note on religious experience.

ধৰ্মীয় অভিজ্ঞতাৰ বিষয়ে চমু টোকা এটা লিখা।

*(b)* Give a brief account of Kant's view of immortality of Soul.

আত্মাৰ অমৰত্বৰ বিষয়ে কাণ্টে আগবঢ়োৱা মতৰ চমু ব্যাখ্যা লিখা।

*(c)* Write the differences between sign and symbol as described by Paul Tillich.

পল টিলিকে বৰ্ণনা কৰা অনুসৰি চিহ্ন আৰু প্ৰতীকৰ পাৰ্থক্যসমূহ লিখা।

*(d)* Briefly explain the four-fold function of religious symbol according to Randall.

ৰাণ্ডালৰ মত অনুসৰি ধৰ্মীয় প্ৰতীকসমূহৰ চাৰি তৰপীয়া কাৰ্যৰ বিষয়ে চমু ব্যাখ্যা আগবঢ়োৱা।

*(e)* Write a brief note on the role of Shravana and Kirtana in Shankardeva's religious philosophy.

শংকৰদেৱৰ ধৰ্মীয় দৰ্শনত শ্ৰৱণ আৰু কীৰ্তনৰ ভূমিকাৰ বিষয়ে চমু টোকা এটা লিখা।

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* What is religion? Discuss the relation between science and religion.

ধৰ্ম কাক বোলে? বিজ্ঞান আৰু ধৰ্মৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা।

*(b)* Explain the nature and scope of Philosophy of religion.

ধৰ্মদৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ ব্যাখ্যা কৰা।

(c) Critically discuss the ontological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় তাত্ত্বিক যুক্তিটো সমালোচনাৰ সৈতে আলোচনা কৰা।

(d) Explain the teleological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় উদ্দেশ্যমূলক যুক্তিটো ব্যাখ্যা কৰা।

(e) What is determinism? Explain the arguments in favour of determinism.

নিয়তিবাদ কাক বোলে? নিয়তিবাদৰ সপক্ষে থকা যুক্তিসমূহ ব্যাখ্যা কৰা।

(f) Discuss the view of Paul Tillich about the symbolic nature of religious language.

পল টিলিকে বৰ্ণনা কৰা ধৰণে ধৰ্মীয় ভাষাৰ প্ৰতীকাত্মক ৰূপৰ বিষয়ে আলোচনা আগবঢ়োৱা।

(g) Explain logical positivism as an anti-religious theory.

ধৰ্মৰ বিৰোধিতা কৰা মতবাদ হিচাপে তৰ্কীয় প্ৰত্যক্ষবাদৰ ব্যাখ্যা আগবঢ়োৱা।

*(h)* Explain Shankardeva's concept of God. Discuss briefly how the world is related to God.

শংকৰদেৱৰ ঈশ্বৰ সম্পৰ্কীয় ধাৰণাটো ব্যাখ্যা কৰা। লগতে জগতখন কেনেদৰে ঈশ্বৰৰ লগত সম্পৰ্কযুক্ত হৈ আছে তাৰ বিষয়েও চমুকৈ আলোচনা কৰা।

★★★